**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি আজি ৰাজ্যজুৰি পৰম্পৰাগত উলাহ-উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ ৰাজ্যৰ ভকতবৃন্দই নামঘৰ আৰু সত্ৰসমূহত শৰাই, বন্তি আগবঢ়াই প্ৰাৰ্থনা জনায়। সত্ৰ, নামঘৰসমূহ পুৱাৰে পৰা ভক্ত ৰাইজৰ নাম-প্ৰসংগ আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে।

মাধৱদেৱ গুৰুজনাই স্থাপন কৰা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত এই তিথি কীৰ্তন মহোৎসৱ হিচাপে ১০ দিনীয়াকৈ উদযাপন কৰা হয়। বৰপেটাৰ সংবাদদাতাই জনোৱা অনুসৰি ১০ দিনৰ মূৰত আজি অনুষ্ঠিত মূল কাৰ্যসূচীৰ অংশ হিচাপে পুৱা প্ৰসংগৰ লগতে সত্ৰৰ গায়ন-বায়নে ঘোষা কীৰ্তন, ব্যাস কীৰ্তন আৰু নাম বিৰতিবিহীনভাৱে পৰিৱেশন কৰে। মহাপুৰুষজনাই স্থাপন কৰা সুন্দৰীদিয়া, বাৰাদি আৰু গনককুচি সত্ৰৰ লগতে শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা শিলপৰা ভিঠি থান সত্ৰত আৰু শংকৰদেৱ থান সত্ৰতো কীৰ্তন মহোৎসৱ পালন কৰা হয়। মহোৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ লগতে আন আন সত্ৰতো ভালেসংখ্যক লোকৰ সমাগমেৰে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে গুৰুজনাৰ মহাপ্ৰয়াণৰ পাছত তেওঁৰ ভকতসকলে ১০ দিনীয়াকৈ যি কাৰ্যসূচী পালন কৰিছিল তাৰ আৰ্হিতে বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱ পালন কৰি অহা হৈছে।

স্বেচ্ছাসেৱী সংগঠন **সহায়**ৰ উদ্যোগত আৰু মৰিগাঁও সনাতনী ৰাইজৰ সহযোগত গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে মৰিগাঁও নগৰত এটি শোভাযাত্ৰা উলিওৱা হয়।

ধুবুৰীৰ মধুপুৰ সত্ৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম আদি বিভিন্ন পৰম্পৰাগত অনুষ্ঠানৰ আয়োজন কৰা হয়।

যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়।

মাজুলীৰ ৩৫ খন সত্ৰ আৰু প্ৰায় ২০০টা নামঘৰো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে পুৱাৰে পৰা নাম-কীৰ্তন আৰু প্ৰসংগৰে মুখৰিত হৈ উঠিছে। ঐতিহ্যমণ্ডিত কমলাবাৰী সত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ তিথি আয়োজন কৰা হয়। ইফালে নামনি মাজুলীৰ এলেঙী সত্ৰতো পুৱাৰে পৰা আইসকলে প্ৰসংগ আৰু গোপিনী কীৰ্তনেৰে সত্ৰখনৰ চৌপাশ মুখৰিত কৰি তোলে।

গোলাঘাটৰ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰতো গুৰু বন্দনাৰে পৱিত্ৰ তিৰোভাৱ তিথি মুখৰিত হৈ পৰে। পৱিত্ৰ ভাদ মাহৰ প্ৰথমটো তিথি উপলক্ষে বিভিন্ন প্ৰান্তৰ পৰা নামঘৰত অগণন ভকত ৰাইজৰ সমাগম ঘটে।

ইপিনে ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে পুৱাৰ ভাগতে বজালীৰ গোবিন্দভৱন গীতা সত্ৰত শৰাই আগবঢ়াই নাম-প্ৰসংগত অংশগ্ৰহণ কৰে। নিজৰ লগতে ৰাইজৰ মংগল কামনা কৰি মন্ত্ৰীগৰাকীয়ে ভকত-

আই মাতৃসকলৰ সৈতে মত বিনিময় কৰি আশীৰ্বাদ লয়। মহাপুৰুষ গুৰুজনাই অসমৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশত আগবঢ়োৱা অসাধাৰণ অৱদানে ৰাজ্যৰ জাতীয় জীৱনক এটা নতুন মাত্ৰা প্ৰদান কৰে বুলি উল্লেখ কৰি শ্ৰী দাসে তেওঁৰ জীৱন-দৰ্শনেৰে অনুপ্ৰাণিত হৈ উঠি অহা প্ৰজন্মই ঐক্যবদ্ধ আৰু সুসংগঠিত সমাজ গঢ়াৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কামত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

যোৰহাটৰ বানাক্ৰান্ত অঞ্চলত আজি ধৰিত্ৰী মহিলা সংগঠনৰ উদ্যোগত ছাত্ৰী-ছাত্ৰীক লেখন সামগ্ৰী বিতৰণ কৰা হয়। এই অনুসৰি যোৰহাট জিলাৰ বাৰপাইক গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কাগজ, কলম, অভিধান, সাধাৰণ জ্ঞানৰ কিতাপ ইত্যাদি বিতৰণ কৰা হয়। সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ পদক্ষেপত বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে সংগঠনটোৱে এই পদক্ষেপ গ্ৰহণ কৰে। এই অনুষ্ঠানত কেইবাগৰাকী সমাজকৰ্মী, বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিবলগীয়া দৃষ্টিপাত অনুষ্ঠানত অসমৰ ঔদ্যোগিক খণ্ডৰ বিষয়ে আলোচনা কৰা হ'ব। এই অনুষ্ঠানত ঔদ্যোগিক আৰু বাণিজ্য বিভাগৰ সচিব ডঃ লক্ষ্মনন এছ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

তিনিচুকীয়া জিলাৰ ডিব্ৰু নৈৰ ডলফিন পইণ্টত আজি দুগৰাকী ছাত্ৰৰ সলিল সমাধি ঘটে। উল্লেখযোগ্য যে, গুইজান হিন্দী বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ ৫ গৰাকী ছাত্ৰ ঘাটটোত ফুৰিবলৈ গৈছিল। ইয়াৰে দুজন ছাত্ৰৰ অসাৱধানবসতঃ পানীত পৰি মৃত্যু হয়। মৃত ছাত্ৰ দুজন গলু শ্বাহ আৰু গৌৰৱ শ্বাহ বুলি চিনাক্ত কৰা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট দলৰ আগশাৰীৰ বেটছমেন শিখৰ ধাৱানে সকলো ধৰণৰ আন্তৰ্জাতিক আৰু ঘৰুৱা ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে। সামাজিক মাধ্যমত নিজৰ অৱসৰৰ এটা আৱেগিক ভিডিঅ' প্ৰকাশ কৰি ৩৮ বছৰীয়া শ্ৰী ধাৱানে খেলুৱৈ জীৱনত তেওঁক বিভিন্ন প্ৰকাৰে সহায় কৰা পৰিয়ালৰ লোকসকলৰ লগতে প্ৰশিক্ষক আৰু দলৰ সদস্যসকলক ধন্যবাদ জনায়। শ্ৰী ধাৱানে তেওঁৰ কেৰিয়াৰত ১৬৭ খন এদিনীয়া আন্তৰ্জাতিক মেচত ছহেজাৰ ৭৯৩ ৰান কৰিছে। ইয়াৰে ১৭টা শতক আৰু ৩৯টা অৰ্ধশতক। ইপিনে টি-২০ শৃংখলাত বাওঁহতীয়া বেটছমেনগৰাকীয়ে ৬৮ খন মেচত এহেজাৰ ৭৫৯ ৰান সংগ্ৰহ কৰিছে।

০০০০

সমাপ্ত